# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-06-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*

*- - - - - - - - - - - - - - - - - - - - - -*

## *Headlines*

১। উত্তৰ পূৰ্বাঞ্চলত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি লোকসভা আৰু ৰাজ্যসভাৰ যৌথ বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ মন্তব্য।

২। সৰ্বশিক্ষা অভিযানৰ অধীনত কৰ্মৰত শিক্ষকসকলৰ বাবে ৩৫ হাজাৰ নতুন পদত নিযুক্তিৰ ব্যৱস্থা সন্দৰ্ভত ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত গ্ৰহণ।

৩। নলবাৰী জিলাত ১৯ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ, চিকিৎসা মহাবিদ্যালয়লৈ ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণ সেতু, অত্যাধুনিক ষ্টেডিয়াম আৰু এটা দক্ষতা কেন্দ্ৰ মুকলি কৰাৰ বাবে কেবিনেটৰ অনুমোদন।

৪। ৰাজ্যখনৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ বিদ্যায়তনিক পৰিবেশ উন্নত কৰাৰ বাবে চৰকাৰৰ ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ৫০০খন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীত কৰাৰ লক্ষ্য নিৰ্ধাৰণ।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

লোকসভা আৰু ৰাজ্যসভাৰ যৌথ বৈঠকত কাৰ্যবিধি কিছুসময়ৰ বাবে অব্যাহত থকাৰ পাছত আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাষণ দি কয় যে উত্তৰ পূৰ্বাঞ্চলত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু অঞ্চলটোৰ বিভিন্ন সমস্যা বিগত ১০ বছৰত সমাধান কৰা হৈছে। তেওঁ কয় যে অঞ্চলটোত শান্তি-শৃংখলা অব্যাহত থকাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিৰক্ষা বাহিনীৰ বিশেষ ক্ষমতা আইন পৰ্যায়ক্ৰমে বিভিন্ন ঠাইৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে। সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত তেওঁ কয় যে, জনসাধাৰণে এইবাৰ অনুধাৱন কৰিছে যে চৰকাৰেহে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, নতুন চৰকাৰে সংসদৰ পৰৱৰ্তী অধিৱেশনত প্ৰথমখন সাধাৰণ বাজেট দাখিল কৰিব। সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ দৃষ্টিকোণেৰে এই বাজেটখন প্ৰস্তুত কৰা হ'ব আৰু ক্ষিপ্ৰতাৰে এই বাজেটখনৰ বিভিন্ন সংশোধন কৰা হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, বিগত ১০ বছৰত দেশখন একাদশ স্থানৰ পৰা পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশলৈ পৰিগণিত হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ সংঘাত আৰু মহামাৰীৰ সত্ত্বেও ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। তেওঁ কয় যে, চৰকাৰে ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে চৰকাৰে ইয়াৰ আঁচনিসমূহৰ ফলাফলসমূহ যাতে সকলোৱে লাভ কৰিব পাৰে, সেইটো সুনিশ্চিত কৰাৰ

লক্ষ্যৰে কাম কৰি আছে আৰু প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ অধীনত গ্ৰামাঞ্চলক সংযোগ কৰাৰ বাবে ৩ দশমিক ৮ লাখ কিলোমিটাৰ গ্ৰাম্য পথ নিৰ্মাণ কৰা হৈছে। কাইলৈ ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত ধন্যবাদৰ প্ৰস্তাৱ আলোচনা কৰা হ'ব। উল্লেখযোগ্য যে ৰাজ্যসভাত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন্ত্ৰী পৰিষদক সদনত চিনাকি কৰাই দিয়ে। লোকসভাত অধ্যক্ষ ওম বিৰলাই ৰাহুল গান্ধীক বিৰোধী দলৰ নেতা হিচাপে নিযুক্তি দিয়াৰ কথা সদনক অৱগত কৰে। তেওঁ কয় যে, ১৯৯৭ চনৰ দৰমহা আৰু ভাট্টা আইন অনুসৰি শ্ৰীগান্ধীক ৯ জুনৰ পৰা বিৰোধী দলৰ নেতা হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০০

অসম চৰকাৰে সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলক সকাহ দিয়াৰ লক্ষ্যৰে ৩৫ হাজাৰ নতুন শিক্ষকৰ পদ সৃষ্টি কৰি বিশেষ নিযুক্তিৰ ব্যৱস্থা কৰিছে। এই পদসমূহৰ বাবে কেৱল সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলেহে আবেদন কৰিব পাৰিব। নলবাৰীত আজি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই সিদ্ধান্তৰ ফলত পূৰ্বৰ অনিয়মীয়া পদসমূহ বিলুপ্ত হোৱাৰ লগতে নতুন পদত নিযুক্তি লাভ কৰাসকলে চৰকাৰী নিৰিখ অনুসৰি দৰমহা আৰু বাৰ্ষিক দৰমহাৰ বৃদ্ধি লাভ কৰিব। উচ্চতম ন্যায়ালয়ৰ উমা দেৱী গোচৰৰ পৰিপ্ৰেক্ষিতত অসম মন্ত্ৰীসভাৰ, চাকৰি নিয়মীয়া কৰাৰ ক্ষমতা নথকা হেতুকে ৰাজ্য চৰকাৰে কেবিনেটত এই সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আনহতে, আজিৰ মন্ত্ৰীসভাই পৰিবহন আৰু যান-বাহন সম্পৰ্কীয় দুটা সিদ্ধান্ত গ্ৰহণ কৰিছে। জৰিমনা আদায় দিয়াৰ নামত আৰ্থিকভাৱে অনগ্ৰসৰ লোকসকল সমস্যাৰ সন্মুখীন হোৱা বুলি সততে উত্থাপিত হৈ অহা অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। এই অনুসৰি মটৰ চাইকেলৰ আৰোহীক কেৱল হেলমেট পৰিধান নকৰিলেহে জৰিমনা বিহা হ'ব। যান-বাহন আৰক্ষীয়ে দুচকীয়া বাহনৰ চালকক অন্য নথিপত্ৰজনিত বিষয়ত জৰিমনা বিহিব নোৱাৰিব। ইপিনে, অটো, ৰিক্সাকে ধৰি তিনিচকীয়া বাহনৰ গৰাকীয়ে বাহন চালনা বা পাৰ্কিঙৰ ক্ষেত্ৰত কৰা অপৰাধ ৪ বাৰলৈ ৰেহাই দিয়া হ'ব। পঞ্চম বাৰ কৰা ভুলৰ ক্ষেত্ৰতহে জৰিমনা বিহা হ'ব। এই ক্ষেত্ৰত পৰিবহন বিভাগক ১৫ দিনৰ ভিতৰত নীতি-নিৰ্দেশনা জাৰি কৰিবলৈ কোৱা হৈছে। আনহাতে, নলবাৰীৰ ৩৪৭গৰাকী অ'বিবি শিক্ষকক মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত অহা ৩০ ছেপ্তেম্বৰত ২ লাখকৈ টকাৰ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। জিলাখনৰ ৪খন ধৰ্মীয় অনুষ্ঠান বিল্বেশ্বৰ দেৱালয়, বালিলেছা মন্দিৰ, বাঘেশ্বৰী মন্দিৰ আৰু হৰি মন্দিৰক পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৩ কোটিকৈ টকা প্ৰদান কৰিবলৈ কেবিনেটত সিদ্ধান্ত লোৱা হয়। নলবাৰীত এটা নতুন আৱৰ্ত্ত ভৱন আৰু সন্মিলন কক্ষ মুকলি কৰাৰ লগতে মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তনৰ বাবে কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে।

ইপিনে, বৰক্ষেত্ৰীৰ এম এছ ডি পি বিদ্যালয়ৰ সলনি এখন স্নাতক মহাবিদ্যালয় স্থাপনৰ বাবেও কেবিনেটে সিদ্ধান্ত লৈছে। জিলাখনৰ মৰা পাগলাদিয়া আৰু বুঢ়াদিয়া নৈত ১৯ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণৰ বাবে কেবিনেটে অনুমোদন জনাইছে। নলবাৰী চিকিৎসা মহাবিদ্যালয়লৈ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উৰণ সেঁতু, এখন অত্যাধুনিক ষ্টেডিয়াম আৰু ধমধমাত এটা দক্ষতা কেন্দ্ৰ মুকলি কৰাৰ বাবে কেবিনেটে আজি অনুমোদন জনায়।

০০০০০

দেশৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে বিভিন্ন ৰাজ্যৰ লগতে অসমৰ নগাঁৱতো অহা ২৯ জুলাইৰ পৰা ৩ আগষ্টলৈ লোক আদালত অনুষ্ঠিত হ'ব। ছদিনীয়াকৈ আয়োজন কৰা বিশেষ লোক আদালতত দ্ৰুত আপোচ

আৰু বিবাদ নিষ্পত্তি, চূড়ান্ত আৰু কাৰ্যকৰী নিষ্পত্তি, কম খৰচত বিবাদ নিষ্পত্তি, আদালতৰ মাচুল ঘূৰাই দিয়া আদি বিষয়সমূহত গুৰুত্ব দিয়া হ'ব। এই সন্দৰ্ভত সবিশেষ তথ্য উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত উপলভ্য কৰা হ'ব।

oooooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰবেশ পৰীক্ষাত হোৱা অনিয়ম সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে বিহাৰৰ পাটনাৰ পৰা অভিযুক্ত দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। চি বি আয়ে এই পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱা গোচৰৰ তদন্তৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত বিহাৰ আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ গোটক সাক্ষাৎ কৰি অলপতে তদন্ত আৰম্ভ কৰিছিল।

oooooo

তিনিচুকীয়া জিলাৰ ডিগবৈত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমানৰ মাদক দ্ৰব্য জব্দ কৰে। ৩ নম্বৰ গোলাইৰ বিমান তালুকদাৰৰ ঘৰত অভিযান চলাই বুজন পৰিমানৰ মাদক দ্ৰব্যসহ এখন গাড়ী, তিনিটা মোবাইল ফোন, দুখন পাছবুক আৰু প্ৰায় ১৭ হাজাৰ নগদ ধন জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে বিমান তালুকদাৰৰ লগতে তেওঁৰ পত্নীক আটক কৰে। উল্লেখযোগ্য যে তালুকদাৰে একেধৰণৰ গোচৰত পূৰ্বেও কাৰাবাস খাটিবলগীয়া হৈছিল। জব্দ কৰা নিষিদ্ধ সামগ্ৰী তেওঁ ডিমাপুৰৰ পৰা অনা বুলি স্বীকাৰ কৰাৰ কথা আৰক্ষীয়ে প্ৰকাশ কৰিছে।

oooooooo

দৰং জিলাৰ আয়ুক্তৰ সভাপতিত্বত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। এই সভাত বাৰিষাৰ বতৰত ক্ষতিগ্ৰস্ত হোৱা জিলাখনৰ বিভিন্ন অঞ্চলৰ বাট-পথসমূহৰ মেৰামতিৰ প্ৰসঙ্গই স্থান লাভ কৰে। তদুপৰি বাৰিষাৰ বৰষুণে জিলাখনৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথসমূহত সৃষ্টি কৰা গাঁতসমূহ পূৰ কৰাৰ বাবে আয়ুক্তই সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি যান-বাহনৰ চলাচল সম্পৰ্কীয় বিভিন্ন বিষয় বৈঠকত আলোচনা কৰা হয়। একেদৰে পথ সুৰক্ষা বৃদ্ধিৰ বাবে সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি আয়ুক্তগৰাকীয়ে এই ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ মঙলদৈ পৌৰসভা, জিলা আৰক্ষী আৰু জিলা পৰিবহন বিভাগক নিৰ্দেশ দিয়ে। দ্ৰুত গতিত যান-বাহন চলোৱা, সুৰাপান কৰি গাড়ী চলোৱা, হেলমেট নিপিন্ধাকৈ দুচকীয়া বাহন চলোৱা আদিৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰিবলৈ তেওঁ আহ্বান জনায়।

ooooo

নাগালেণ্ডত কালি অনুষ্ঠিত নগৰীয়া নিগম নিকায়ৰ নিৰ্বাচনত ৮৩ দশমিক ৫-৪ শতাংশ ভোটদান হয়। ৰাজ্যখনৰ তিনিখন পৌৰসভা আৰু ২১ খন জিলা পৰিষদৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছিল। ২০ বছৰৰ বিৰতিৰ পাছত অনুষ্ঠিত এই নিৰ্বাচনত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ কৰা হৈছিল। নিৰ্বাচনত ২১৪ টা ৱাৰ্ডৰ ৪২০ টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হৈছিল। ৩২৫ গৰাকী পুৰুষ আৰু ১৯৮ গৰাকী মহিলাকে ধৰি মুঠ ৫২৩ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছিল।

ooooo

ৰাজ্য চৰকাৰে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ বিদ্যায়তনিক পৰিবেশ উন্নত কৰাৰ বাবে ৫০০খন বিদ্যালয়ৰ আন্তঃগাঁথনি নতুনকৈ নিৰ্মাণ কৰাৰ পদক্ষেপ লৈছে। এই পদক্ষেপৰ অংশ হিচাপে চাংসাৰি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু চাংসাৰি বালিকা বিদ্যালয়ত নিৰ্মাণ কাৰ্য দ্ৰুত গতিত অব্যাহত আছে।

মুখ্যমন্ত্ৰীয়ে আজি দুয়োখন বিদ্যালয় পৰিদৰ্শন কৰি আন্তঃগাঁথনিৰ বুজ লোৱাৰ লগতে যাৱতীয় পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে এই ৫০০খন বিদ্যালয় সৰ্বাংগসুন্দৰ ৰূপত গঢ়ি তোলাৰ বাবে ৪ হাজাৰ কোটিৰো অধিক টকা ব্যয় কৰিবলৈ ৰাজ্য চৰকাৰে লক্ষ্য লৈছে।

০০০০০

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ১১খন জিলাৰ ৪৮৭খন গাঁৱৰ বিভিন্ন অঞ্চল এতিয়াও বানৰ কবলত আছে। এই বানত ১ লাখ ৩০ হাজাৰতকৈও অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা ১০৯ টা আশ্ৰয় শিবিৰত ১০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইপিনে, বৰাক উপত্যকাত কুশিয়াৰা নৈ'ৰ পানী বিপদ সীমাৰ ওপৰত আছে। বানৰ বাবে এতিয়াও কৰিমগঞ্জ জিলাৰ বহুলোক গৃহবন্দী হৈ থাকিবলগীয়া হৈছে। জিলাখনৰ তিনি শতাধিক বিদ্যালয়ৰ পাঠদান বানৰ বাবে ব্যাহত হৈ আছে।

লখিমপুৰত শিঙৰা নৈৰ ঢলে বিভিন্ন অঞ্চল বুৰাই পেলাইছে। ইপিনে, তিনিচুকীয়া জিলাৰ চৈখোৱা অঞ্চলত বানৰ লগতে খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে বুলি জানিব পৰা গৈছে। ডিব্ৰুগড় চহৰৰ চৌকিদিঙি, চিৰিংচাপৰি, আমোলাপট্টি, পাঁচ আলি, ফুলবাগান, কালিবাৰী আদি অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। চহৰখনত তীব্ৰ যান-জঁটৰ ফলত যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। জনসাধাৰণে চহৰখনত দীৰ্ঘম্যাদী পৰিকল্পনাৰে কৃত্ৰিম বান ৰোধৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট বিভাগক আবেদন জনাইছে। ইপিনে, ৰাজ্যৰ ৯খন জিলাত আজি ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। বৰষুণৰ লগতে ধুমুহা আৰু বজ্ৰপাতৰো আশংকা কৰা হৈছে। ১৯খন জিলাত বতৰ বিজ্ঞান বিভাগে ইয়েল' এলাৰ্ট জাৰি কৰিছে। বিভাগীয় সূত্ৰই প্ৰকাশ কৰা মতে বজালি, বৰপেটা, বঙাইগাঁও, বাক্সা, চিৰাং, দৰং, ধুবুৰী, কামৰূপ আৰু গোৱালপাৰা জিলাত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে উজনি অসমৰ কেইবাখনো ইয়েল' এলাৰ্ট জাৰি কৰা হৈছে।

০০০০০

যোৰহাট জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই আজি জিলাখনৰ অপৰাধৰ তথ্য পৰ্যালোচনা কৰে। জিলাখনত আজি অনুষ্ঠিত অপৰাধ পৰ্যালোচনা বৈঠকত শান্তি শৃংখলা অটুট ৰাখিবলৈ ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত বিগত মাহত ভাল ফল দেখুৱাবলৈ সক্ষম হোৱা আৰক্ষী কৰ্মীক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

নৱগঠিত ডিব্ৰুগড় পৌৰনিগমৰ বিষয়াসকলে আজি নগৰখনৰ বিভিন্ন ঠাইত অভিযান চলাই অবৈধভাৱে ঠাই দখল কৰি ব্যৱসায় চলাই থকা দোকান-পোহাৰ উচ্ছেদ কৰে। জিলা আৰক্ষীৰ যান বাহন শাখাৰ সহযোগত চলোৱা এই অভিযানত শান্তিপাৰাৰ সমীপৰ ৰ'টাৰী ৰোডৰ ফুটপাথটো বেদখল মুক্ত কৰে।

০০০০০

শিৱসাগৰ পৌৰসভাই নগৰখনৰ জনসাধাৰণৰ লগত পোনপটীয়া সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে অনলাইন গুগল শ্বীটৰ ব্যৱস্থা কৰিছে। পৌৰসভাক অধিক জনমুখী কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি পৌৰ কৰ্তৃপক্ষই এখন সংবাদমেলযোগে জানিবলৈ দিছে। এই গুগল শ্বীটৰ জৰিয়তে নগৰখনৰ ৰাইজে পৌৰ এলেকাৰ বাট পথ, নলা-নৰ্দমা, ষ্ট্ৰিট লাইট, জাৱৰ সংগ্ৰহ, খোৱাপানী আদিৰ লগতে পৌৰসভাৰ আওঁতাত থকা বিভিন্ন বিষয় সন্দৰ্ভত জনাৰ সুবিধা লাভ কৰাৰ লগতে তেওঁলোকৰ অসুবিধা তথা অভিযোগ দাখিল কৰিব পাৰিব বুলি সাংবাদিকক জানিবলৈ দিছে।

০০০০০

ওদালগুৰি জিলাৰ বি টি আৰ পৰিষদীয় সমষ্টিত নৱনিৰ্মিত কেইবাখনো আঁচনিৰ কাম আজি বি টি আৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে শুভাৰম্ভ কৰে। বি টি আৰৰ পাঁচনৈ, চেৰফাং আৰু ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিৰ বাবে এই আঁচনিসমূহ সদস্যগৰাকীয়ে শুভাৰম্ভ কৰিছে। তেওঁ হাদাংগুৰি প্ৰাথমিক বিদ্যালয় চৌহদত এই উপলক্ষে আয়োজিত এখন সভাতো অংশগ্ৰহণ কৰে।

০০০০০

অসম সাহিত্য সভা, মৰিগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আজি জ্ঞানপীঠ বঁটা বিজয়ী ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে আয়োজিত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাহিত্য কৃতি শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ দৈনিক অসম কাকত সম্পাদক ড০ হিতেশ ডেকাই উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক উপেন্দ্ৰজিৎ শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত সুন্দৰ প্ৰদৰ্শন আগবঢ়াই ভাৰতে এতিয়ালৈকে আটাইকেইখন খেলতে জয়লাভ কৰিছে।

ত্ৰিনিদাদৰ ব্ৰায়ন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক ৯ উইকেটত পৰাস্ত কৰে। ৫৭ ৰানৰ বিজয়ৰ লক্ষ্যৰে খেলি দক্ষিণ আফ্ৰিকাই ৮ অ'ভাৰ ৫টা বলত এটা উইকেটৰ বিনিময়ত ৬০ ৰান কৰি জয়লাভ কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰি ১১ অ'ভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত এতিয়ালৈকে এইটোৱেই সৰ্বনিম্ন স্ক'ৰ। বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। কাইলৈ সন্ধিয়া ৭ বজা পৰ্যন্ত অডিঅ' প্ৰেৰণ কৰিব পাৰিব। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

০০০০০

সমাপ্ত